**Date of Event:** 09-01-2023

**Name of Event:** Cultural Program in Assam Book Fair, Guwahati

ASSAM BOOK FAIR

অসম গ্ৰন্থমেলা

অসম প্ৰকাশন পৰিষদ ■ সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা

প্ৰতি,

অধ্যক্ষ

প্ৰাগজ্যোতিষ মহাবিদ্যালয়, শান্তিপুৰ, গুৱাহাটী

দিনাংক ঃ ২১-১২-২০২৩

**বিষয় ঃ** অসম গ্ৰন্থমেলা, ২০২৩-২৪-ৰ সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ।

মহাশয়/মহাশয়া,

প্ৰীতি সম্ভাষণ গ্ৰহণ কৰিব।

আপোনাক জনাবলৈ পাই আমি আনন্দিত হৈছোঁ যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ২৯ ডিচেম্বৰ, ২০২৩ ৰ পৰা ৯ জানুৱাৰী, ২০২৩-লৈ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত **'অসম গ্ৰন্থমেলা, ২০২৩-২৪'**ৰ আয়োজন কৰা হৈছে। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি প্ৰতিদিনে সন্ধিয়া বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

অহা ইংৰাজী ০৭-০১-২০২৪ তাৰিখে সন্ধিয়া ৭.০০ বজাৰ পৰা ৮.০০ বজালৈ সাংস্কৃতিক প্ৰতিযোগিতাত আপোনাৰ শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট ৬০ মিনিট সময় গীত-মাত, নৃত্য (একক/দলীয়), অভিনয় আদিৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে এই পত্ৰযোগে আমন্ত্ৰণ জনালোঁ।

আশা কৰোঁ অনুষ্ঠানটোত অংশগ্ৰহণ কৰি 'অসম গ্ৰন্থমেলা, ২০২৩-২৪' সাফল্যমণ্ডিত কৰি তোলাত সহযোগিতা আগবঢ়াব।

**সাংস্কৃতিক প্ৰতিযোগিতাৰ নিয়মাৱলী—**

(১) সাংস্কৃতিক প্ৰতিযোগিতাৰ ঘোষক/ঘোষিকা আপোনালোকৰ বিদ্যালয়/মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হ'ব লাগিব।
(২) সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ সময় ঃ ৬০ মিনিট (অতিৰিক্ত সময় ল'ব নোৱাৰিব)
(৩) আপোনালোকক অনুষ্ঠান পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনোৱা সময়ৰ এঘণ্টা আগতেই গ্ৰন্থমেলাৰ মূল প্ৰেক্ষাগৃহত উপস্থিত হ'বলৈ আৰু পৰিৱেশন কৰিবলগীয়া অনুষ্ঠানসমূহৰ এখন তালিকা সময় উল্লেখ কৰি জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।
(৪) সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰাৰ পাছত অন্তিম দিনা পুৰস্কাৰপ্ৰাপ্তসকলক নগদ ধনসহ বঁটা প্ৰদান কৰা হ'ব আৰু লগতে অংশগ্ৰহণকাৰী প্ৰতিখন বিদ্যালয়/মহাবিদ্যালয়ৰ সাংস্কৃতিক দলৰ শ্ৰেষ্ঠ অনুষ্ঠানটিক এটাকৈ শ্ৰেষ্ঠ বঁটাও প্ৰদান কৰা হ'ব।
(৫) প্ৰতিযোগিতাৰ সবিশেষ জানিবৰ বাবে প্ৰবোধ দাস (মোবাইল নং-৯১-৮৬৩৮৯-৪৫৯০২/৯১-৭০৯৯৭-০৪২৫৮)-ক যোগাযোগ কৰিব পাৰিব।
(৬) বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচনা কৰা হ'ব।

বিনীত

(প্ৰমোদ কলিতা)

সচিব, অসম প্ৰকাশন পৰিষদ

Address for Communication

Publication Board Assam, Guwahati-21 & All Assam Publishers & BookSellers Association, Saraswati Market, 3rd floor, Jaswanta road. Panbazar, Guwahati-1, Phone: 9864651271, 9864016083, 8638731659, E-mail: assampublicationboard@gmail.com, aaapbsa52@gmail.com

MANOJ KUMAR MAHANTA

Digitally signed by MANOJ KUMAR MAHANTA
Date: 2025.03.12 12:54:17 +05'30'